**ভৌতিক ভূগোল আৰু ইয়াৰ আন্তঃবিষয়ক প্ৰকৃতি**

*(Physical Geography and its Interdisciplinary Nature)*

**১. আন্তঃবিষয়ক প্ৰকৃতি (**Interdisciplinary Nature) **বুলিলে কি বুজায়**?

**আন্তঃবিষয়ক (**Interdisciplinary) শব্দৰ অৰ্থ হৈছে এটাতকৈ অধিক শৈক্ষিক বিষয়ৰ জ্ঞান, ধাৰণা আৰু পদ্ধতি একেলগে ব্যৱহাৰ কৰা।

- ভৌতিক ভূগোলে কেৱল ভূগোলৰ জ্ঞান ব্যৱহাৰ কৰি পৃথিৱীৰ ভৌতিক পৰিৱেশ সম্পূৰ্ণৰূপে বুজিবলৈ চেষ্টা নকৰে।
- ইয়াৰ পৰিৱৰ্তে বিভিন্ন **প্ৰাকৃতিক বিজ্ঞানৰ ধাৰণা, পদ্ধতি আৰু জ্ঞান** ব্যৱহাৰ কৰি পৃথিৱী আৰু ইয়াৰ প্ৰাকৃতিক প্ৰক্ৰিয়াসমূহ অধ্যয়ন কৰে।

**সহজ সংজ্ঞা**

**ভৌতিক ভূগালৰ আন্তঃবিষয়ক প্ৰকৃতি বুলিলে পৃথিৱীৰ ভৌতিক পৰিৱেশ বুজিবলৈ বিভিন্ন বৈজ্ঞানিক বিষয়ৰ জ্ঞান, ধাৰণা আৰু পদ্ধতি একত্ৰিত কৰি অধ্যয়ন কৰাকে বুজায়।**

**২. ভৌতিক ভূগোল আৰু অন্যান্য বিষয়ৰ সম্পৰ্ক**

| **বিষয়** | **ভৌতিক ভূগোলত ইয়াৰ অৱদান** |
|---|---|
| **পদাৰ্থ বিজ্ঞান (**Physics) | শক্তি, বিকিৰণ, মাধ্যাকৰ্ষণ, বায়ুচাপ আৰু তাপৰ দৰে প্ৰাকৃতিক প্ৰক্ৰিয়া বুজিবলৈ সহায় কৰে। |
| **ৰসায়ন বিজ্ঞান (**Chemistry) | বায়ু, পানী আৰু মাটিৰ ৰাসায়নিক গঠন আৰু প্ৰক্ৰিয়া বুজিবলৈ সহায় কৰে। |
| **জীৱবিজ্ঞান (**Biology) | উদ্ভিদ, প্ৰাণী আৰু জীৱৰ বিতৰণ বুজিবলৈ সহায় কৰে। |
| **পৰিৱেশ বিজ্ঞান (**Ecology) | জীৱ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্ক বুজিবলৈ সহায় কৰে। |

| বিষয় | ভৌতিক ভূগোলত ইয়াৰ অৱদান |
| --- | --- |
| GIS **আৰু** Remote Sensing | পৃথিৱীৰ ভৌতিক বৈশিষ্ট্যসমূহ মানচিত্ৰত প্ৰস্তুত, বিশ্লেষণ আৰু পৰ্যবেক্ষণ কৰাত সহায় কৰে। |

ইয়াৰ উপৰিও Geology ( **ভূতত্ত্ব** ), Meteorology ( **বতৰ বিজ্ঞান** ), Hydrology( **জলবিজ্ঞান** ) **আৰু** Oceanography ( **সাগৰ বিজ্ঞান** )ৰ জ্ঞানেও ভৌতিক ভূগোলক সমৃদ্ধ কৰে।

## ৩. এই বিষয়সমূহে কেনেকৈ কাম কৰে?

ভৌতিক ভূগোলে পৃথিৱীক এটা **আন্তঃসংযুক্ত ব্যৱস্থা (**Interconnected System) হিচাপে অধ্যয়ন কৰে।

**উদাহৰণ:**

**জলবায়ু (**Climate)
↓
**বিচূৰ্ণীভৱন (**Weathering)
↓
**মাটি গঠন (**Soil Formation)
↓
**উদ্ভিদৰ বৃদ্ধি (**Vegetation)
↓
**ক্ষয় আৰু ভূমিৰূপৰ পৰিৱৰ্তন (**Erosion and Landscape Development)

- এই উদাহৰণে দেখুৱায় যে এটা প্ৰাকৃতিক উপাদান বুজিবলৈ বহুতো বিষয়ৰ জ্ঞানৰ প্ৰয়োজন হয়।
- সেয়েহে ভৌতিক ভূগোলৰ অধ্যয়নত **বিভিন্ন বিষয়ৰ জ্ঞানৰ সমন্বয়** অতি গুৰুত্বপূৰ্ণ।

**৪. ভৌতিক ভূগোলৰ আন্তঃবিষয়ক প্ৰকৃতিৰ গুৰুত্ব**

আন্তঃবিষয়ক পদ্ধতিয়ে ভৌতিক ভূগোলক অধিক ফলপ্ৰসূ কৰি তোলে। ইয়াৰ গুৰুত্বসমূহ হ'ল—

1. **পৃথিৱীক এটা সমন্বিত ব্যৱস্থা (**Earth System**) হিচাপে বুজিবলৈ সহায় কৰে।**
2. **জটিল প্ৰাকৃতিক প্ৰক্ৰিয়াসমূহ সহজে ব্যাখ্যা কৰিব পাৰি।**
3. **জল, জলবায়ু, মাটি আৰু জীৱৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক বুজিবলৈ সহায় কৰে।**
4. **জলবায়ু পৰিৱৰ্তন, বানপানী, ভূমিস্খলন আৰু জীৱ বৈচিত্ৰ্য হ্ৰাসৰ দৰে পৰিৱেশগত সমস্যাসমূহ অধ্যয়ন কৰাত সহায় কৰে।**
5. **মানৱ আৰু প্ৰাকৃতিক পৰিৱেশৰ পাৰস্পৰিক সম্পৰ্ক বুজিবলৈ সহায় কৰে।**
6. **পৰিকল্পনা, পৰিৱেশ ব্যৱস্থাপনা আৰু বহনক্ষম উন্নয়ন (**Sustainable Development**)ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।**

**৫. পৰীক্ষাৰ বাবে সংজ্ঞা (**Exam Definition**)**

**ভৌতিক ভূগোল আন্তঃবিষয়ক প্ৰকৃতিৰ বিষয়। কাৰণ ই ভূতত্ত্ব, বতৰ বিজ্ঞান, জলবিজ্ঞান, সাগৰ বিজ্ঞান, জীৱবিজ্ঞান, পৰিৱেশ বিজ্ঞান, মৃত্তিকা বিজ্ঞান, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান আদি বিভিন্ন বিষয়ৰ জ্ঞান একত্ৰিত কৰি পৃথিৱীৰ ভৌতিক পৰিৱেশ আৰু ইয়াৰ প্ৰাকৃতিক প্ৰক্ৰিয়াসমূহ অধ্যয়ন কৰে।**